# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-05-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
--------------------

১।	দেশৰ সুৰক্ষাৰ বাবে সেনাসকলে কৰা ত্যাগৰ প্ৰতি সন্মান জনাই মুখ্যমন্ত্ৰীৰ উপস্থিতিত ৰাজ্যিক বিজেপিৰ আজি ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী।

২।	সোণাপুৰৰ কচুতলীৰ উচ্ছেদিত অঞ্চলত মুখ্যমন্ত্ৰীৰ দশম অসম আৰক্ষী বেটেলিয়নৰ প্ৰস্তাৱিত চৌহদৰ ভূমি পৰিদৰ্শন।

৩।	ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাৱাই আজি ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ।

৪।	দেশবাসীৰ মাজত দেশপ্ৰেমৰ ভাৱ অধিক জাগ্ৰত কৰাৰ বাবে আকাশবাণী বাতৰি সেৱা বিভাগৰ কাইলৈৰ পৰা দহদিন ব্যাপী বিশেষ কাৰ্যসূচী।	**আৰু**

৫।	বিহাৰত অনুষ্ঠিত সপ্তম খেলো ইণ্ডিয়া মহোৎসৱত অসমৰ সৰ্বাধিক পদক জয়ৰ নতুন অভিলেখ।

০০০০০

দেশৰ সুৰক্ষাৰ বাবে সেনাসকলে কৰা ত্যাগ আৰু বলিদানৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰজুৰি ১১ দিনীয়া **শৌৰ্য সন্মান যাত্ৰা** শীৰ্ষক ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী অব্যাহত আছে। অসম প্ৰদেশ বিজেপিয়ে আজি আদাবাৰীৰ অটল উদ্যানৰ পৰা কামাখ্যা মন্দিৰৰ নামনিলৈ ত্ৰিৰংগ যাত্ৰা উলিয়ায়। বিজেপিৰ নেতা-কৰ্মীৰ উপস্থিতিত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই যাত্ৰাৰ শুভাৰম্ভ কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, সাংসদ বিজুলী কলিতা মেধিকে ধৰি দলৰ কৰ্মকৰ্তাসকলে হাতে হাতে পতাকা লৈ, বন্দে মাতৰম ধ্বনি দি এই যাত্ৰাত অংশ লয়। ত্ৰিৰংগ যাত্ৰাত অংশ লৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে অপাৰেচন সিন্দূৰৰ জৰিয়তে সেনাই গৌৰৱ আৰু পৰাক্ৰমৰ নিদৰ্শন দাঙি ধৰিছে। ৰাজ্যবাসীক ত্ৰিৰংগ যাত্ৰাৰ অংশীদাৰ হৈ সেনাবাহিনীৰ এই বিক্ৰমক উদযাপন কৰিবলৈ তেওঁ আহ্বান জনায়। এই কাৰ্যসূচীত অংশ লৈ দিলীপ শইকীয়াই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতীয় সেনাই সন্ত্ৰাসবাদীৰ বিৰুদ্ধে নিখুঁত পৰিকল্পনাৰে আক্ৰমণ কৰি সন্ত্ৰাসবাদীক শৰণ দিয়া পাকিস্তানক উচিত প্ৰত্যুত্তৰ দিবলৈ সমৰ্থ হৈছে।

**বাইট (দিলীপ শইকীয়া)**

ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচীত ভাৰতীয় সেনাৰ বহুকেইগৰাকী অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়ায়েও অংশগ্ৰহণ কৰে। এই যাত্ৰাৰ সৈতে সংগতি ৰাখি সন্ধিয়া বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত অপাৰেচন সিন্দূৰ তথা ভাৰতবৰ্ষৰ এই গৌৰৱময় ক্ষণ সন্দৰ্ভত এখন প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে।

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে কাৰ্বি আংলঙৰ ডিফু চহৰত ডিফু ৰাষ্ট্ৰীয় সুৰক্ষা নাগৰিকৰ উদ্যোগত ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সহস্য তুলিৰাম ৰংহাং, সাংসদ

অমৰছিং তিছ', বিধায়ক বিদ্যাছিং ইংলেঙৰ লগতে বিজেপিৰ কেইবাগৰাকীও কৰ্মকৰ্তাই যাত্ৰাত অংশ লয়। ৰাজ্যখনত কাইলৈ আৰু পৰহিলৈ জিলা পৰ্যায়ত আৰু ১৮ মে'ত বুথ পৰ্যায়ত ত্ৰিৰংগ যাত্ৰা আৰম্ভ হ'ব।

ooooo

ৰাজ্যখনৰ জনজাতীয় ভূমি কোনো কাৰণতে দখল কৰিবলৈ দিয়া নহ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। আজি মুখ্যমন্ত্ৰীয়ে সোণাপুৰৰ কচুতলীৰ উচ্ছেদিত অঞ্চলত প্ৰস্তাৱিত দশম অসম আৰক্ষী বেটেলিয়নৰ আধুনিক প্ৰশিক্ষণৰ সুবিধাসম্পন্ন চৌহদৰ বাবে আৱণ্টিত ভূমি পৰিদৰ্শন কৰি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কচুতলীত উচ্ছেদ চলাই এহেজাৰ বিঘা ভূমি মুক্ত কৰিছিল। প্ৰায় ১০০ বিঘা ভূমি সামৰি এই উচ্ছেদিত অঞ্চলটোত আৰক্ষী বেটেলিয়নৰ প্ৰশিক্ষণৰ কাৰ্যালয়টো নিৰ্মাণ কৰা হ'ব। অহা ছমাহৰ ভিতৰত কাৰ্যালয়টোৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে উচ্ছেদিতসকল প্ৰকৃত ভাৰতীয় বুলি প্ৰমাণিত হ'লে নিজ ঠাইতে ভূমি প্ৰদান কৰা হ'ব। উচ্ছেদ অভিযানৰ পাছত পুনৰ মানুহ সংস্থাপিত কৰা দালালসকলৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ'ব বুলি তেওঁ কয়। ইয়াৰ লগতে তেওঁ ৰাজ্যবাসীক দালালৰ চক্ৰত নপৰিবলৈ আহ্বান জনায়।

**বাইট (চি এম)**

ooooo

ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাৱাইয়ে আজি ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ গাৱাইক শপতবাক্য পাঠ কৰোৱায়। ন্যায়াধীশ বি আৰ গাৱাই কালি কাৰ্যকাল সমাপ্ত হোৱা ন্যায়াধীশ সঞ্জীৱ খান্নাৰ স্থলাভিষিক্ত হ'ব। তেওঁ অহা ছমাহ দেশৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ২০১৯ চনৰ পৰা উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰা গাৱাই বিমুদ্ৰাকৰণৰ পৰা আৰম্ভ কৰি নিৰ্বাচনী বণ্ডলৈকে কমেও ৩০০টা গোচৰৰ সৈতে জড়িত আছিল। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশে শপতগ্ৰহণ অনুষ্ঠানত ভাগ লয়।

ooooo

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাক জনসাধাৰণৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে আকাশবাণীয়ে কেতবোৰ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি আকাশবাণী দিল্লী কেন্দ্ৰই পৰমবীৰ চক্ৰ লাভ কৰা দেশৰ বীৰ সেনানীসকলৰ বীৰগাঁথা কাইলৈৰ পৰা প্ৰতিখন বাতৰি বুলেটিনতে প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগেও কাইলৈৰ পৰা ইয়াৰ বাতৰি বুলেটিনসমূহত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰ কৰিব। ইয়াৰ উপৰি অহা ১৭ মে'ৰ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত, ১৮ মে'ৰ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব।

ooooo

চীপ অব ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, স্থল সেনাৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, বায়ুসেনাৰ মুৰব্বী এয়াৰ চীফ মাৰ্শ্বেল এ পি সিং আৰু নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠীয়ে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰি অপাৰেচন সিন্দূৰ সম্পৰ্কে অৱগত কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতিগৰাকীয়ে সেনা বাহিনীৰ জোৱানসকলৰ বীৰত্ব আৰু আত্মোৎসৰ্গৰ মনোভাৱক প্ৰশংসা

কৰে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা কঠোৰ যুঁজখনত সেনা বাহিনীয়ে মুখ্য ভূমিকা গ্ৰহণ কৰিছে বুলিও ৰাষ্ট্ৰপতি শ্ৰী মুৰ্মুৱে প্ৰকাশ কৰে।

ooooo

অৰুণাচল প্ৰদেশৰ কেতবোৰ স্থানক চীনে নতুন নামেৰে নামাকৰণ কৰাৰ প্ৰচেষ্টাক ভাৰতে স্পষ্টভাৱে অস্বীকাৰ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এগৰাকী মুখপাত্ৰই চীনৰ এনেধৰণৰ কাৰ্য মুঠেও গ্ৰহণযোগ্য নহয় আৰু ই ভাৰতৰ সু-সংগত আৰু সিদ্ধান্তবাদী স্থিতি সম্পূৰ্ণ বিপৰীত বুলি মন্তব্য কৰিছে। তেওঁ লগতে কয়, যে  অৰুণাচল প্ৰদেশ যে ভাৰতৰ অভিন্ন আৰু অবিচ্ছেদ্য অংগ আৰু আগলৈও হৈ থাকিব, সেই স্পষ্ট আৰু ধ্ৰুৱসত্যক এখন দেশৰ অযুক্তিকৰ নামাকৰণে সলনি কৰিব নোৱাৰে।

ooooo

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এই পৰ্যন্ত ৫৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কালি শোণিতপুৰ আৰক্ষীয়ে ছুকুৰ আলী আৰু ফজল আলী নামৰ লোক দুজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ তিনিখন ৰাজ্যৰ চাৰিদিনীয়া ভ্ৰমণসূচীৰে আজি বিয়লি মিজোৰামত উপস্থিত হৈছে। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কৃষি, উদ্যান শস্য, পশুপালন আৰু গ্ৰামোন্নয়নৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প পৰ্যালোচনা কৰাৰ লগতে ভালেমান প্ৰকল্প উদ্বোধন কৰিব। তেওঁ ভালেসংখ্যক কৃষক তথা হিতাধিকাৰীৰ সৈতেও মত-বিনিময় কৰিব। মন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণ কালত ২৯ মে'ত দেশজুৰি আৰম্ভ হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযানত ৰাজ্যসমূহৰ সহযোগিতা সম্পৰ্কেও আলোচনা কৰিব। কাইলৈ শ্ৰীচৌহানে মিজোৰামত কৃষি মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি দুপৰীয়াৰ ভাগত নাগালেণ্ডৰ জুলুকিস্থিত পশু চিকিৎসা বিজ্ঞান আৰু পশুপালন মহাবিদ্যালয়ৰ প্ৰশাসনিক আৰু শৈক্ষিক ভৱন মুকলি কৰিব। পৰহিলৈ মন্ত্ৰীগৰাকীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰাৰ লগতে ৰাজ্যখনৰ কৃষি মন্ত্ৰী আৰু সাংসদসকলৰ সৈতে মত-বিনিময় কৰিব। ১৭ মে'ত শ্ৰীচৌহানে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত অংশ ল'ব। এই ভ্ৰমণকালত তেওঁ কামাখ্যা মন্দিৰো দৰ্শন কৰিব।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এই বছৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা, বিত্তীয় সাক্ষৰতা আৰু সাংকেতিক ভাষা - এই তিনিটা নতুন ঐচ্ছিক বিষয় প্ৰৱৰ্তন কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু আই আই টি গুৱাহাটীৰ সঞ্চালক উপস্থিতিত আই আই টি গুৱাহাটীত শিক্ষক শিক্ষয়িত্ৰীসকলৰ বাবে তিনি-দিনয়া আৱাসিক কৃত্ৰিম বুদ্ধিমত্তা প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ পাঠ্যপুথি উন্মোচন কৰে। মন্ত্ৰীগৰাকীয়ে

লগতে এই পাঠ্যপুথি যুগুতাই উলিওৱাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে আই আই টি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ শলাগ লয়।

০০০০০

ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত বিধায়ক আমিনুল ইছলামক আজি পুনৰ অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। কাশ্মীৰত পেহেলগাম কাণ্ডৰ সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰাৰ অপৰাধত বিধায়কজনক নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। পৰৱৰ্তী সময়ত যোৱা ২৯ এপ্ৰিলত বিধায়কজনক নগাঁও আদালতে ন্যায়িক প্ৰেৰণ কৰে। বিধায়ক ইছলামক আজি আদালতে জামিন প্ৰদান কৰে যদিও ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগত পুনৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

০০০০০

ৰাজ্য চৰকাৰে অহা ১৫ আগষ্টৰ ভিতৰত আৰু ১০ খন সমজিলা গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত এই সমজিলাকেইখন গঠন কৰা হ'ব। এই সমজিলাকেইখন হৈছে- বকো-ছয়গাঁও, পলাশবাৰী, ৰঙাপাৰা, বৰছলা, মৰিয়নি, টীয়ক, মাকুম, ডিগবৈ, ধলাই আৰু দুধনৈ। প্ৰশাসনক ব্যৱস্থাক সুশৃংখলিত কৰি জনসাধাৰণকেন্দ্ৰিক সেৱাসমূহ কম সময়ৰ ভিতৰত উপলভ্য কৰোৱাৰ লক্ষ্যৰে পূৰ্বে ৩৯ খন সমজিলা গঠন কৰা হৈছিল।

০০০০০

ৰাজ্য চৰকাৰে চৰকাৰী কৰ্মচাৰীসকলৰ সপোনৰ ঘৰ নিৰ্মাণৰ সপোন বাস্তৱায়িত কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা আপোন ঘৰ আঁচনিখনৰ সময়সীমা অহা বছৰৰ মাৰ্চলৈকে সম্প্ৰসাৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে আঁচনিখনৰ অধীনত নতুনকৈ ৩ হাজাৰ ৬০০তকৈ অধিক হিতাধিকাৰীক সুবিধা প্ৰদানৰ লক্ষ্য স্থিৰ কৰা হৈছে। এই আঁচনিখনৰ পৰা এতিয়ালৈকে ৪৩ হাজাৰ চৰকাৰী কৰ্মচাৰী লাভান্বিত হৈছে আৰু ৬২৪ কোটি টকাৰ ৰাজসাহায্য মুকলি কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

ৰাজ্যত বজ্ৰপাতৰ ফলত বিগত দুদিনত দুজন লোকে প্ৰাণ হেৰুৱাইছে। পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংছ' আৰক্ষী থানাৰ অধীনৰ সংৰে ছেনাৰ গাঁৱত যোৱা কালি বিয়লি অহা ধুমুহা-বৰষুণৰ সসময়ত বজ্ৰ পৰি তাৰা ইংতিকি নামৰ এগৰাকী ১৪ বছৰীয়া কিশোৰীয়ে মৃত্যুক আঁকোৱালি লয়। ইপিনে, শ্ৰীভূমি জিলাৰ হাছানপুৰত আজি বজ্ৰ পৰি এগৰাকী কলেজীয়া ছাত্ৰীৰ মৃত্যু হয়। মৃত ছাত্ৰীগৰাকী হাছানপুৰৰ ৪ নম্বৰ ৱাৰ্ডৰ জাহিদা পাৰবিন বুলি চিনাক্ত কৰা হৈছে।

০০০০০

বিশিষ্ট চিন্তাবিদ, প্ৰগতিশীল লেখক, ইতিহাসবিদ অধ্যাপক উদায়াদিত্য ভৰালীলৈ এইবাৰৰ পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা আগবঢ়োৱা হৈছে। স্বাস্থ্যজনিত কাৰণত ১৭ মে'ত পৰাগ কুমাৰ দাস স্মৃতি দিৱসৰ পৰিৱৰ্তে অহা ১৮ মে'ত উদয়াদিত্য ভৰালীক তেওঁৰ বাসগৃহত এই বঁটা প্ৰদান কৰা হ'ব। তেতিয়াৰ কটন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভৰালীয়ে দীৰ্ঘদিন ধৰি কেইবাখনো বাতৰি কাকতত নিয়মীয়াকৈ লেখা-মেলা কৰি আহিছে। তেওঁ অসমীয়া প্ৰতিদিন কাকতত পৃষ্ঠভূমিৰ চিনাকী শিৰোনামেৰে বিভিন্ন দেশৰ বিষয়ে লিখি আলোড়ন সৃষ্টি কৰিছিল আৰু পৰৱৰ্তী সময়ত প্ৰতিদিনতে প্ৰাসঙ্গিক পাণ্ডুলিপি শিতানেৰে জাতীয় জীৱনৰ বহু গুৰুত্বপূৰ্ণ বিষয় তথ্যসহ যুক্তিনিষ্ঠ বিশ্লেষণেৰে চিন্তাৰ বাট মোকলাইছিল। অধ্যাপগৰাকীয়ে এগৰাকী সফল

গল্পকাৰ হিচাপে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। ভৰালীয়ে বিশেষকৈ ইতিহাস চৰ্চাৰ ক্ষেত্ৰত অসমত নতুন দিশৰ সন্ধান দিছে।

০০০০০

ৰাজ্য চৰকাৰে স্পৰ্শকাতৰ অঞ্চলসমূহত বান খহনীয়া প্ৰতিৰোধী কাম অব্যাহত ৰাখিছে। বান আৰু খহনীয়া প্ৰতিৰোধী কামসমূহ সুচাৰুৰূপে সম্পন্ন কৰাৰ লক্ষ্যৰে মন্ত্ৰী পীযূষ হাজৰিকাই আজি গুৱাহাটীৰ বশিষ্ঠৰ অসম জল ভৱনত বিভাগীয় বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত তেওঁ বান আৰু নদী খহনীয়া ব্যৱস্থাপনা প্ৰাধিকৰণ, অসমৰ অধীনত বিভিন্ন স্থানত চলি থকা কাম-কাজসমূহৰ বুজ লয়। তেওঁ বান খহনীয়া প্ৰতিৰোধৰ বাবে পৰ্যাপ্ত পৰিমাণে জিঅ' বেগ, পাৰ্কুপাইন আদি যোগান ধৰাৰ লগতে নিৰ্ধাৰিত সময়ত কাম সম্পন্ন কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। শেহতীয়াকৈ ৰাজ্যৰ ২১৬টা নতুন বান খহনীয়া প্ৰৱণ স্পৰ্শকাতৰ স্থান চিনাক্ত কৰা হৈছে। বৈঠকত তেওঁ এই স্থানকেইটাত শীঘ্ৰেই প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ বাবে বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। বানৰ সময়ছোৱাত ৰাইজে যাতে অসুবিধাৰ সন্মুখীন নহয়, তাৰ বাবে তেওঁ সংশ্লিষ্ট বিষয়াসকলক সতৰ্ক কৰি দিয়ে।

০০০০০

অসমে বিহাৰত চলি থকা সপ্তম খেলো ইণ্ডিয়া যুৱ মহোৎসৱত সৰ্বাধিক পদক জয়ৰ নতুন অভিলেখ গঢ়িছে। অসমে কাইলৈ সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাত ১০টা সোণ, পাঁচটা ৰূপ আৰু ১০ ব্ৰঞ্জসহ মুঠ ২৫টা পদকেৰে বহিঃৰাজ্যত হোৱা খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱত শ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হৈছে। অসমে আজি দুটা সোণ, দুটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ৰাজদ্বীপ দাসে ল'ৰাৰ থাংতাৰ ফুনাবাৰ ৬০ কিলোগ্ৰাম ওজন শাখাত আৰু প্ৰণয় দাসে ৫৬ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক হস্তগত কৰে। ৰেণুকা দেৱী আৰু মেমোলা দেৱীয়ে এই শিতানৰ ছোৱালীৰ শাখাত ফাইনেলত পৰাজিত হৈ ৰূপৰ পদক সন্তুষ্ট থাকিবলগীয়া হয়। একেদৰে নিৰ্মাণ জ্যোতি গগৈয়ে বক্সিঙৰ ল'ৰাৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ ছেমি ফাইনলেত পৰাজিত হৈ ব্ৰঞ্জৰ পদক লাভ কৰে। ইপিনে ল'ৰাৰ ৰ'দ চাইক্লিঙৰ ৮০ কিলোমিটাৰ শাখাত ৰাজ্যৰ ৰূপজ্যোতি কটকীয়ে ২ ঘণ্টা ১৪ মিনিট ৪৯ দশমিক ৫-৭-১ ছেকেণ্ডত ৰেচ সম্পূৰ্ণ কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰোত্তোলনত ৭টা পদক লাভ কৰা অসম দলৰ ৰাণাৰ্ছআপ ট্ৰফী প্ৰদান কৰা হয়।

০০০০০

সমাপ্ত